

বৰ্ণিল
২০২৫
ষষ্ঠ সংখ্যক
পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# বৰ্ণিল ২০২৫

তৃতীয় সংখ্যা

২০২৫ ইং বৰ্ষ

Department of Physics NALBARI COLLEGE

*** since 1958 ***

## পদাৰ্থ বিজ্ঞান বিভাগ
## নলবাৰী কলেজ, নলবাৰী

# বৰ্ণিল

তৃতীয় সংখ্যা:২০২৫

## উপদেষ্টা মণ্ডলী

অনন্ত ৰাজবংশী
ড° হংসধৰ ৰাজবংশী
ড° নিপন মজুমদাৰ
সুৰজিৎ শৰ্মা
ড° হেমেন কাকতি

## তত্বাৱধায়ক

ড° ধ্ৰুৱজ্যোতি গগৈ

## সম্পাদক দ্বয়

সাগৰ ৰাজবংশী
বন্দিতা দেৱী

## ব্যৱস্থাপনা

ভাৰ্গৱ ভৰদ্বাজ

## বেটুপাত

তন্ময় দাস
ডিম্পী কলিতা
স্নেহা দাস
জ্যোতিষ দাস

## সদস্য/সদস্যা বৃন্দ

পৰিস্মিতা পাঠক
তন্ময় ঠাকুৰীয়া
গাৰ্গী বৰ্মন
ৰিচা চক্ৰৱৰ্তী
স্বপন তালুকদাৰ
লিকিনা ভৰদ্বাজ

বিশেষ কৃতজ্ঞতা: ড° কমল নয়ন পাটোৱাৰী, অধ্যক্ষ, নলবাৰী কলেজ, নলবাৰী

বি: দ্ৰ: যিকোনো আপত্তি জনক লিখনিৰ বাবে লিখক সকল দায়বদ্ধ হ'ব

# শ্ৰদ্ধাৰে সুৰৰিষিলৈ



প্ৰাণ শিল্পী

# জুবিন গাৰ্গ

১৮ নৱেম্বৰ ১৯৭২ :: ১৯ চেপ্তেম্বৰ ২০২৫



# সুধাকণ্ঠ

## ড° ভূপেন হাজৰিকা

০৮ চেপ্টেম্বৰ ১৯২৬ :: ০৫ নৱেম্বৰ ২০১১


মহান শিল্পী গৰাকীৰ জন্ম শতবাৰ্ষিকীত
তেখেতলৈ যাচিছো সশ্ৰদ্ধ প্ৰণাম

Dr. KAMAL NAYAN PATOWARY
PRINCIPAL
NALBARI COLLEGE, NALBARI




# PRINCIPAL'S PEN

The endeavour of the students of the department of physics gives me immense pleasure when they let me know that they are going to start an online magazine. The name that they choose for the magazine "Barnil" is very attractive which itself indicates that this will become a platform of expression of multidimensional thought of our students. I have an unrest belief that if persistency is there every small initiative might have become one day a path finder for people to come in future. So I hope that this maiden venture of online magazine started by our spirited and dashing student will remain forever as a symbol of a dreaming avenue for our student. Wishing you all Best of luck with an anticipation that your untiring effort for twinkling pages of Barnil will receive due response and applaud from its audience.



PRINCIPAL
NALBARI COLLEGE, NALBARI

**Mr. ANANTA RAJBONGSHI**
**HEAD OF THE DEPARTMENT OF PHYSICS**
**NALBARI COLLEGE, NALBARI**



# HoD's PEN

It gives me immense pleasure to know that the 3rd edition of our departmental e-magazine is on the verge of its release to the public through our departmental web page. It's a vibrant showcase of the extraordinary talent and creativity within our student community. This platform is an essential part of our department's commitment to the holistic development of our students, allowing them to explore and express their ideas beyond the conventional academic curriculum.

The wide spectrum of articles, poems, technical insights, and creative pieces in this e-magazine is a testament to the innovative spirit and intellectual curiosity of our students. I am particularly impressed by the dedication of the editorial board and all the contributors, whose tireless efforts have brought this vision to life. In this era of rapidly evolving world, it is crucial that our students are not only academically proficient but also confident in their ability to communicate effectively and think creatively. The skills honed during this endeavor—teamwork, editing, designing, and content creation—will be invaluable as they navigate their professional careers.

I would like to extend my heartfelt gratitude to the dedicated faculty advisors for their incessant inspiration and kind support and to all students for their enthusiastic participation.

I hope you all enjoy this work. Best wishes to all for your future endeavors.

HoD, Department of Physics

DR. HANGSHADHAR RAJBONGSHI
CO-ORDINATOR
IQAC, NALBARI COLLEGE, NALBARI



# IQAC CO-ORDINATOR'S PEN

It is a matter of pleasure that our department, the department of physics, nalbari college is going to publish the third edition of e-Magazine 'BORNIL'. Hope this issue of 'BORNIL' will be able to reflect the innovative ideas, creativity and knowledge of the students of this department.

I congratulate the students of physics department on this effort and accord my best wishes.

CO-ORDINATOR
IQAC, NALBARI COLLEGE, NALBARI



# Pen of Teacher in-charge

Message from the Teacher-in-Charge *Third Edition of the Departmental E-Magazine*

It is with great pride and enthusiasm that our department is going to bring the third edition of departmental e-magazine. Each issue has been a testament to the creativity, dedication, and collaborative spirit of our students and this edition is no exception. Watching this initiative evolve from its inception to its current form has been truly rewarding.

This magazine is more than a collection of articles and artwork; it is a vibrant reflection of our department's intellectual energy and cultural diversity. The contributions in this edition, ranging from thought-provoking essays to imaginative illustrations, demonstrate the depth of talent and originality within our student community.

I would like to extend my heartfelt appreciation to every contributor who poured their ideas and efforts into this issue. A special note of gratitude goes to our editorial team, whose meticulous planning, coordination, and editorial insight have shaped this magazine into a polished and engaging publication.

As we celebrate this milestone, I encourage everyone to read, share, and take pride in what we have accomplished together. Let this magazine continue to be a platform for expression, exploration, and excellence.

Congratulations to all involved and here are too many more inspiring editions ahead.

Dr. Dhrubajyoti gogoi
Assistant Professor
Teacher in-charge e-Magazine 2025

# সম্পাদকীয়.......

গান আনা, নির্জনতাৰ পৰা
কলাহলৰ পৰা, মোৰ সুৰ নাই
তোমাৰ সুৰীয়া হাতেৰে তুলি ধৰা উজ্জ্বল গান
শান, দিয়া গান, সতেজ সুগন্ধ
–হীৰেণ ভট্টাচাৰ্য

প্রতিবেদন ভাগীৰ পূৰ্বতে বিভিন্ন বাধা অতিক্রম কৰি সমাজক প্ৰজ্বলিত কৰাৰ বাবে যিসকল ব্যক্তিৰ অহোপুৰুষাৰ্থ যত্নৰ ফলশ্রুতিত প্ৰজ্ঞা নগৰী বাসীয়ে ইংৰাজী ১৯৫৮ চনৰ কোনো সোণালী ক্ষণত লাভ কৰিছিল নলবাৰী মহাবিদ্যালয়ৰ বুকুত প্ৰাণ পাই উঠা পদাৰ্থ বিজ্ঞান বিভাগ । সেই সমূহ নমস্য ব্যক্তিক আমি সশ্রদ্ধ সোঁৱৰণ কৰিছো ।

হে স্নেহভাজন, সদৌটিকে বৰ্ণিলৰ তৃতীয় সংস্কৰণলৈ আন্তৰিক স্বাগতম নিবেদিছো। কিতাপ; সময়বোৰ ধৰি ৰাখিবলৈ, হেঁপাহ বোৰ সামৰি ল'ব পৰাকৈ কিতাপৰ লেখীয়া বহল হৃদয় জানো কাৰোবাৰ আছে? হেঁপাহৰ বিভাগ, সপোনৰ বিভাগ, সপোন ৰচিবলৈ পাঠ শিকোৱা বিভাগ পদাৰ্থ বিজ্ঞান বিভাগ। এই বিভাগটোক একক তথা অনন্য কৰি ৰাখিবলৈ প্ৰতিজন শিক্ষাৰ্থীয়ে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। এই চেষ্টাৰ বীজৰ পৰা অংকুৰিত হোৱা এটি বিশেষ ভাগ নলবাৰী মহাবিদ্যালয়ৰ প্ৰথম বিভাগীয় ই-পত্ৰিকা "বৰ্ণিল"। পদাৰ্থ বিজ্ঞান বিভাগৰ সাহিত্যকৃতিৰ অনন্য অৱদান "বৰ্ণিল"।

নলবাৰী মহাবিদ্যালয় তথা নলবাৰী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ এগৰাকী সদস্য হোৱাটো আমাৰ পক্ষত এক সৌভাগ্য তাৰোপৰি পদাৰ্থ বিজ্ঞান বিভাগৰ ই-পত্ৰিকাৰ সম্পাদকৰ গুৰু দায়িত্ব আমাক প্ৰদান কৰাটো ইয়াৰ উৰ্ধত। এতেকে, সদৌটিলৈ আন্তৰিক

ধন্যবাদ জ্ঞাপন কৰিছো। পত্ৰিকা সম্পাদনা ক্ষেত্ৰ খনৰ বিশেষ কোনো অভিজ্ঞ নহয় যদিও বিভাগীয় সতীৰ্থৰ উৎসাহ ও শ্ৰদ্ধেয় গুৰু বৃন্দ ই-পত্ৰিকাৰ তত্বাবধায়ক ড° ধ্ৰুৱজ্যোতি গগৈ সমন্বিতে মুৰব্বী অধ্যাপক অনন্ত ৰাজবংশী, প্ৰাক্তন মুৰব্বী অধ্যাপক হংসধৰ ৰাজবংশী, ড° নিপম মজুমদাৰ, সুৰজিৎ শৰ্মা আৰু হেমেন কাকতি দেৱৰ সুউচ্চ মাৰ্গদৰ্শন তথা সম্পাদনা সমিতিৰ সদস্য ক্ৰমে ভাৰ্গৱ ভৰদ্বাজ, গাৰ্গী বৰ্মন, ৰিচা চক্ৰৱৰ্তী, ডিম্পী কলিতা, পৰিস্মিতা পাঠক, স্নেহা দাস, তন্ময় দাস, জ্যোতিষ দাস আৰু লিকিনা ভৰদ্বাজৰ সহায়ত তথা সেই সমূহ মহানতাক আমি ধন্যবাদ জ্ঞাপন কৰিছো যাৰ লিখনিৰে ই-পত্ৰিকাৰ খনিৰ কাম আৰম্ভ কৰি আজি উন্মোচনৰ দিশত আগবাঢ়িছো।

এখন উৎকৃষ্ট আলোচনীৰ বাবে বহুতো দিশত মনোনিৱেশৰ প্ৰয়োজন। নুন্যতম অভিজ্ঞতাৰ জৰিয়তে সম্পাদনা কাৰ্য্য সমাপন কৰোতে ই-পত্ৰিকা খনি অগন্য ভুল ৰৈ যোৱাটো স্বাভাৱিক| তথাপিও পত্ৰিকা খনি সৰ্বাংগসুন্দৰ কৰি তোলাত আমাৰ চেষ্টা অশেষ। অজানিতে ৰৈ যোৱা ভুলবোৰ শুধৰণিৰ পৃষ্ঠাত তুলি ধৰিব বুলি আশা ৰাখিলোঁ, একেষাৰে ভুলৰ মাৰ্জনা বিচাৰিছো।

শেষত, পদাৰ্থ বিজ্ঞান বিভাগ তত্ত্ব-তুতত্ত্বৰ আৰু সাহিত্যৰ সুসংমিশ্ৰণত এটা অনন্য বিভাগ ৰূপে আজিৰ দৰে অনাগত সময়তো জিলিকি থাকক। নলবাৰী মহাবিদ্যালয়ৰ ইতিহাসৰ পটত সোণালী হস্তাক্ষৰে খোদিত হৈ ৰওঁক পদাৰ্থ বিজ্ঞান বিভাগৰ ধাৰা........

ধন্যবাদ

"জয়তু পদাৰ্থ বিজ্ঞান বিভাগ"

"জয়তু নলবাৰী মহাবিদ্যালয়"

ইতি

বন্দিতা দেৱী

সাগৰ ৰাজবংশী

যুটীয়া সম্পাদক

ই-পত্ৰিকা ২০২৫

বৰ্ণিল

# ভিতৰ চ'ৰা


পৃষ্ঠা নং

- গতিশীলতা : ড° হেমেন কাকতি ০১

প্ৰথম ষান্মাসিক

- Quantum Mechanics : unveiling the secrets of the subatomic world : KOUSTAV BHARADWAJ ০৩
- An attempt to disapprove uncertainty : KALYAN DUTTA ০৬
- অস্থিৰতা : তন্ময় দাস ০৮
- RIDDLES : LIKINA BHARADWAJ ০৯
- বহ্নিমান এটি সত্বা : জুবিন গাৰ্গ : জ্যোতিষ দাস ১০

তৃতীয় ষান্মাসিক

- বিচিত্ৰ পদাৰ্থ বিজ্ঞান : অংকিতা ভত্ত ১২
- A smooth sea never made A skilled sailor : DIKSHITA BHATTACHARYYA ১৩
- Heartthrob of Assam: ZUBEEN GARG : BHARGAV BHARADWAJ ১৪
- স্মৃতিৰ গান: হৃষিকেশ হালৈ ১৭
- অৰ্থ (হীন নে পূৰ্ণ): সেয়াও প্ৰশ্নবোধক: সাগৰ ৰাজবংশী ১৯
- The hardest thing in the world is telling yourself that it's not hard at all: Himashree Hazarika ২০
- সাঁথৰ: পৰিস্মিতা ডেকা ২১
- সাঁথৰ: চিমান্তিকা নাথ ২২

# ভিতৰ চ'ৰা

পৃষ্ঠা নং

পঞ্চম ষান্নাসিক


- শেষ শব্দ: আচিফ ইকবাল ২৩
- আঁৰৰ কাহিনী: জ্যোতিষ্মান শৰ্মা ২৪
- এটুকুৰা বগা কাগজ: পায়েল কাশ্যপ ২৫
- শিল মই: প্ৰাণজিত দাস ২৬
- জেতুকাৰ সুবাস: স্নেহা দাস ২৭
- ঐন্দ্ৰজাল : (জটিল জীৱনত এলান্ধুৰ সীয়নী): তন্ময় ঠাকুৰীয়া ২৮
- Life - What it's all about: FIRDOUSI RAHMAN ২৯
- সোঁৰৰণিৰ কুৰলী ফাঁকেৰে : বন্দিতা দেৱী ৩০
- শিক্ষিত নিবনুৱা: এক জ্বলন্ত সমস্যা:পৰিস্মিতা পাঠক ৩৭
- The Multiverse: A Cosmic Mirror of Endless Realities: DIMPI KALITA ৩৯
- From Class 12 to BSc Physics-Realizing the Importance of Mathematics: JYOTISHMAN TAMULY ৪১
- আলোকচিত্ৰ ৪৩-৫৬
- বিভাগীয় শিক্ষাৰ্থীৰ দ্বাৰা অংকিত চিত্ৰ ৫৭
- PHOTOGRAPHY ৫৮
- ২০২৫ ইং চনত অৰ্জিত বিভাগীয় পুৰস্কাৰ ৫৯
- অশ্ৰু-অঞ্জলি ৬০-৬১
- বেটুপাতৰ আভাস ৬২

# গতিশীলতা



ড° হেমেন কাকতি
সহকাৰী অধ্যাপক

**"বিশ্বব্ৰহ্মাণ্ড গতিশীল। সকলো অনু পৰমাণু গতিশীল।"**

এই গতিশীলতাই ৰূপ দিয়ে এক চলমান শক্তিক যিয়ে বিশ্বব্ৰহ্মাণ্ডৰ সাৰ্বজনীন ৰূপ নিৰ্ধাৰণ কৰে। গতিশীলতাৰ কিমাননো প্ৰয়োজন?

ধৰা হ'ল অনুৰ ভিতৰত এটা ইলেকট্ৰন স্থবিৰ হৈ গ'ল। লগে লগে ইয়াক বাকী ইলেকট্ৰনবোৰে ঠেলিব । ধনাত্মক নিউক্লিয়াছে ইয়াক আকৰ্ষিত কৰিব যাৰ ফলত ইলেকট্ৰন নিউক্লিয়াছত সমাহিত হব। ফলশ্ৰুতিত এটা অনু অনু হৈ নাথাকিব। ঠিক সেইদৰে সৌৰজগতৰ এটা গ্ৰহ যদি হঠাৎ ঘুৰিবলৈ এৰে মহাকৰ্ষণৰ বাবে ই সূৰ্যৰ ফালে ধাবমান হব। আৰু সূৰ্যৰ লগত খুন্দা খাই বিনষ্ট হ'ব।

গোটেই কথাখিনি পৰা থুলমুলকৈ এইটো ধাৰণা কৰিব পাৰি যে এই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু এক চলন্ত ৰূপ দিয়ে গতিশীলতাই । এই গতিশীলতাই বিশ্বব্ৰহ্মাণ্ডৰ সকলো সৰু-ডাঙৰ বস্তুক সামৰি লয়। সৌৰজগত, গ্ৰহৰ পৰা অনুবিক্ষণিক অনু আৰু পৰমাণুলৈকে সকলো পদাৰ্থ গতিশীল ,যিয়ে এই সৃষ্টিশীল বিশ্বব্ৰহ্মাণ্ডক স্থায়ী ৰূপ দিছে। যিটো গতিশীলতাই বিশ্বব্ৰহ্মাণ্ডক চলাই ৰাখে তেনেকুৱা গতিশীলতাৰ প্ৰয়োজন বাৰু আমাৰ মনৰ বিশ্বব্ৰহ্মাণ্ডখনত কিমান প্ৰয়োজন। সহজেই অনুমেয় যে যদি আজি আমি চিন্তা কৰিবলৈ এৰি দিও অৰ্থাৎ চিন্তাৰ গতিশীলতাক ৰুদ্ধ কৰো বা আমি চলাফুৰা কৰিবলৈ এৰি দিও আমাৰ অস্তিত্বই লাহে লাহে বিলুপ্ত হ'ব। গতিকে এইটোৰ পৰা এটা সম্যক ধাৰণা কৰিব পাৰি যে আমাৰ অস্তিত্ব এই গতিশীলতাৰ ওপৰত নিৰ্ভৰশীল।

আমি যদি এটা শ্ৰেণীকোঠাত নিৰ্লিপ্ত হৈ থাকো বা সমাজৰ বিভিন্ন প্ৰয়োজনত আমি এই গতিশীলতাক এক সংশয়ৰ মাজত আবদ্ধ কৰি ৰাখো; ই আমাৰ সৃষ্টিস্পৃহাক বিনষ্ট কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব। কাৰণ এইটোৱে মহাজাগতিক ধাৰণা যিয়ে কেৱল এই নিৰ্জীৱ পদাৰ্থবোৰক নিয়ন্ত্ৰণ নকৰে, ই এই অনু-পৰমাণুৰ গতিৰ পৰা সৃষ্টি হোৱা স্নায়বিক ক্ৰিয়াকলাপকো নিয়ন্ত্ৰণ কৰে আৰু ইয়াৰ দ্বাৰা চলন্ত হয় আমাৰ মনৰ বিচিত্ৰ পৃথিৱী খন যিয়ে চলন্ত কৰে সামৰ্জক গতিধাৰাক ।

গোটেই কথাখিনিৰ পৰা এইটো স্পষ্ট হয় যে এই গতিশীলতাক আমি ঘৰ্ষণমুক্ত কৰি নিজৰ ঘনস্তত্বক এক চলমান শক্তিলৈ ৰূপান্তৰ কৰিব লাগে যিয়ে কৰ্মশক্তিলৈ ৰূপান্তৰিত হৈ সামাজিক উত্থানত নিজৰ অৱদান যুগমীয়া কৰি তুলিব ।

দৃষ্টিৰে নিগৰা নানান সপোন
দৃঢ়তাৰে বান্ধি হিয়াৰ দাপোন

## প্ৰথম ষাণ্মাসিক

# Quantum Mechanics: Unveiling the secrets of the subatomic World

KOUSTAV BHARADWAJ
$1^{ST}$ SEMESTER



## INTRODUCTION:

Quantum Mechanics is the branch of physics that explores the nature of the matter and the energy at the smallest scales- those of atoms and subatomic particles. Unlike the predictable laws of classical physics, quantum mechanics reveals a world that is inherently uncertain, probabilistic and often counterintuitive. Yet, this mysterious field underpins much of modern technology, from lasers and semiconductors to quantum computing and cryptography.

## THE BIRTH OF QUANTUM THEORY:

At the time of the $20^{th}$ Century Classical physics failed to explain several phenomena. One major issue was the 'Ultraviolet Catastrophe' where classical theory predicted that a black body would emit infinite energy at short wavelengths. To solve this German Physicist Max Planck introduced the idea that energy is quantized, it can only be emitted or absorbed is discrete packets called quanta. This radical idea laid to the foundation for quantum theory.

Soon after Albert Einstein explained the photoelectric effect- Why light can eject electrons from a metal surface- by suggesting that light itself is made of quanta, later called photons .This marked the beginning of a revolution in physics.

## KEY PRINCIPLES OF QUANTUM MECHANICS:

1. *Wave Particles Duality:*

   Particles like electrons and photons exhibit both wave like and particle like properties. This was famously demonstrated in the double slit experiment where particles creates interference patterns, a hallmark of waves , when not observed – but behave like particles when observed.

2. *Quantum superposition:*

   A quantum system can exist in multiple states at once. For example, an electron can be in a superposition of spinning both: up and down. This idea is famously illustrated by Schrödinger's cat, a thought experiment where a cat in a box can be both alive and death until observed.

3. *Quantum Entanglement:*

   When particles become entangled, their properties become linked, no matter the distance between them. Measuring one instantly affects the other a phenomenon Einstein called 'Spooky action at a distance '. This is key feature behind quantum teleportation and secure communication.

4. *Uncertainty principle:*

   Formulated by werner Heisenberg this principle states that certain pairs of properties - like position and momentum - cannot both be precisely known at the same time . The more accurately you know one the less accurately you know the other.

## QUANTUM MECHANICS IN TECHNOLOGY :

Quantum mechanics isn't just theory if powers must of our modern world
* Transistors and Semiconductors: the backbone of all modern electronics
* Lasers : used in everything from barcode scanners to eye surgery.
* MRI Machines : Based on nuclear magnetic resonance, a quantum phenomenon.

* Quantum Computing: used qubits in superposition to solve problems beyond the reach of classical computers .

* Quantum Cryptography: Provides theoretically unbreakable encryption based on quantum principles .

## CHALLENGES AND INTERPRETATION:

Quantum mechanics works a stonishingly well in practice but its interpretation remains debated :

# The Copenhagen Interpretation suggests a system collapses into a definite state only when measured.

# The many- worlds Interpretation posits that all possible outcomes occur each in a separate parallel universe.

# The Pilot wave theory offers a deterministic alternate, suggesting hidden variables guide particles.

## THE FUTURE OF QUANTUM MECHANICS:

Scientists continue to explore the frontiers of quantum theory. Ongoing research aims to unify quantum mechanics with relativity ( Einstein's theory of gravity ) in a theory of everything. At the same time , advances in quantum computing, communication and sensing are poised to revolutionize industries from cybersecurity to medicine.

## CONCLUSION:

Quantum mechanics has transformed our understanding of the universe at the most fundamental level . Though often strange and non - intuitive its principles are essential to the technologies thet shape our lives today and will continue to drive innovation in the future. As we delve deeper into the quantum realm, we may uncover even more profound truth about the nature of reality itself.


# An attempt to disapprove uncertainty

Kalyan Dutta
1st semester



## SOLVAY CONFERENCE, 1927

The Solvay Conference of 1927 on Physics was a pivotal moment in the history of science. This conference gathered some of the most brilliant minds in Physics. However, no one was aware of the upcoming storm that would change the course of quantum mechanics forever. There were two titans at the centre of this storm : Albert Einstein and Niels Bohr.



Albert Einstein, the founder of the Special theory called 'Relativity' was disturbed by the probabilistic nature of quantum mechanics when Werner Heisenberg, a student of Niels Bohr came up with his famous "Uncertainty Principle". According to this, fundamental physical entities like position and momentum of a microscopic moving particle cannot be determined simultaneously. Not fully agreed by the principle, Einstein proposed a series of experiments to prove the statement wrong as it questioned the fundamental realism of Physics. During all this, Niels Bohr, on behalf of his student concluded that fundamental entities needs observation rather than theoretical calculations. According to Einstein, the physical properties of particles remains same and fixed in every situation and hence need no observation. However, it was also him who proposed the dual nature of light. He was somehow questioning his own theory. Bohr on the other hand however, proposed that particles do not have

definite properties until observed and that the act of measurement itself determines the outcome. Einstein, uneasy with the idea of chance governing particle behaviour, famously declared, "God does not play dice" . The argument continued and there was not a clear winner.



*FIG: Einstein & Bohr*

The Einstein - Bohr debate remains one of the most influential confrontations in Science, highlighting differences in understanding reality and probability's role. Their exchange continues to inspire physicists, driving fundamental questions about the nature of the universe.

# অস্থিৰতা



তন্ময় দাস
১ম ষান্নাসিক

চকুলো,অশ্রু, চকুৰ পানী-
এইবিলাক মাথোন কেৱল শব্দয়েই নেকি?
নহয়!
কৰোবাৰ মনৰ আবেগ, কাৰোবাৰ স্ফূৰ্তি ইত্যাদিবোৰৰ প্ৰকাশভঙ্গী হৈছে এয়া ।
কেৱল নাম বেলেগ -
হয়তো এইবোৰ কাৰোবাৰ বাবে কেৱল নম্বৰ পাবৰ বাবে ব্যাকৰণৰ একোটি সমাৰ্থক শব্দও হ'ব পাৰে-
কিন্তু এইবোৰৰ মাজত নিহত হৈ থাকে গভীৰতম্ অনুভূতি ।
নেজানো কি হৈছে মোৰ লগত, মোৰ মনৰ লগত!
নেজানো কিয় এটা অজ্ঞান ভয়ে খাই আছে মোক ?
কি হয় এইবোৰ ?
মই উত্তৰ বিচাৰি পাম নে কেতিয়াবা এইবোৰৰ ?
হয়তো নাপাব পাৰো-
কিন্তু, সেই ৰজনীৰ তিতা গাৰুটোৱে জানিব ।
মই লিখিছো । কিয় ?
মই ভাবি থাকো । কিয় ?
মই কান্দিছো । কিয় ?
হয়তো এইবোৰ ঘৰৰ অস্থিৰ- অশান্তি পৰিৱেশৰ বাবে হৈছে,
হয়তো সেই সামাজিকভাৱে পোৱা অকলশৰীয়তাৰ বাবে !
মোৰ মনৰ পৰা ওফন্দি আহিছে, কলমেৰে !
কিছুমান আবেগ, কিছুমান বিবেক ।
মই ক্লান্ত !

# RIDDLES

LIKINA BHARADWAJ
1ST SEMESTER



1. What has only two words but thousands of letters ?
Ans: Post office .
2. The person who makes it sell it .The person who buys it never use it .The person who uses it never knows they are using it .What is it ?
Ans :A coffin .
3. What has keys but can't open locks ?
Ans : A piano.
4. I can fly but has no wings ,I can cry but i have no eyes .Who am I ?
Ans: Clouds .
5. If it took eight men,10 hours to build a wall ,how long will it take four men to build it ?
Ans :None , its already built .
6. What begin's with T, ends with T and has T in it ?
Ans : A teapot .
7. Which word is always spelled incorrectly ?
Ans : Incorrectly .
8. I'm the only bug u can play as a sport .Who am I ?
Ans: Cricket .
9. What is black when it buy it ,red when u use it and grey when u throw it away ?
Ans : charcoal .
10. Its easy to lift me ,but hard to throw. What am I ?
Ans : A feather.

# বহ্নিমান এটি সত্বা : জুবিন গাৰ্গ

জ্যোতিষ দাস
প্ৰথম ষান্মাসিক



অভিশপ্ত সেই দিৱসটো ---- ১৯ চেপ্টেম্বৰ ! অসমৰ কোনোজন লোকেই সাজু নাছিল হিয়াৰ আমঠুক বিদায় দিবলৈ। সৌ সিদিনা ৫২ বছৰীয়া জন্মদিন পাতিছিল হে, আজি "আৰু নাই" বুলি অহা সেই খবৰত যিদৰে স্তব্ধ হৈ পৰিল অসমৰ আকাশ-বতাহ , সেইয়া কোনো কালে ঘটাও নাই আৰু ভৱিষ্যতেও অনাকাংক্ষিত। চাগে হে, কোনো সমাজত এনেগৰাকী কালজয়ী পুৰুষ জন্মিব যাৰ শেষযাত্ৰাত কান্দি কান্দি সহযাত্ৰী হ'ব লক্ষাধিক অনুৰাগী।

কি হৈছিল সিদিনা !? অসমৰ প্ৰতিটো পৰিয়ালৰে একোজনকৈ সদস্যৰ অকাল মৃত্যুৰ শোকৰ লেখিয়াকৈ যেন বিষাদ পাইছিল প্ৰতিজন জনতাই। ল'ৰাৰ পৰা বুঢ়ালৈ, কণাৰ পৰা কুজালৈ এটি নাম "জয় জুবিন দা"-ৰে অসম গুঞ্জৰিত কৰি ৰজাঘৰীয়াক পৰ্যন্ত কঁপাই তোলা দৃশ্যটি আজিও চকুৰ সমুখতেই আছে। কিদৰে বিদেশৰ পৰা আহি থকা প্ৰিয় শিল্পী গৰাকীৰ নিথৰ দেহক এপলক চাবলৈ বুলি ওৰে ৰাতি উজাগৰে কটাই ৰাতি নৌপুৱাওতেই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ থকা তেওঁৰ অনুৰাগী আহি উপস্থিত হৈছিল ৰাজধানী চহৰত !! কিদৰে চকুলোৰ স'তে তেওঁৰ শেষ ইচ্ছাৰ গীত গাই গাই জনাইছিল বিদায়।

কোন হয় জুবিন গাৰ্গ!?

দুখীয়াৰ দুখ বুজি সঁহাৰি হে অহা সেই চিনাকি হাতখন, আন্দোলনৰ আঁৰত একেষাৰ মাততেই কুৰি হেজাৰ লোকক নমাই আনিব পৰা সেই উদাত্ত স্বৰটি, কথা যাৰ আকাশবাণীৰ লেখীয়াকৈ আখৰে আখৰে পালন কৰে অসমৰ ডেকাচাঙে ,সেই ব্যক্তিত্বটো; বৰগীত- ভটিমা গাই আশীৰ দশকৰ লোকৰ আশীৰ্বাদ তথা বিহুৰে অসম তোলাপাৰ কৰা হাৰ্টথ্ৰব গৰাকী, অসমত বিৰোধ-সদৃশ কিবা পৰিবেশৰ সৃষ্টি হ'লেই আগে মাত মতা বজ্ৰকণ্ঠী সেই মানুহজন যেতিয়া হঠাৎ নোহোৱা হৈ গ'ল ; অসমে নিশ্চয়কৈ অভিভাৱক হীনতাৰ বেদনাত ভুগিবই।

গানৰ মাজেৰে অসমক আৱৰি ৰখা মানুহ জনৰ বৰ্তমানত আজি কেনে আছে অসম? অসমে আজি উপলব্ধি কৰিছে উজ্জ্বল মাণিক জনক। জীয়া কালত সমালোচনা কৰা, বেয়া পোৱা নাইবা ভুল আঙুলিয়াই দিয়া সকলেও সমানেই দুখি হৈছে তেওঁৰ বিয়োগত। উপলব্ধি কৰিছে তেওঁ বিশাল সত্বাক। জুবিন গাৰ্গ ইমানো লাঘৱ নহয় যে নাই বুলিলেই নোহোৱা হৈ যাব। পাৰ্থিৱ শৰীৰ তেজিলেও জনতাৰ হৃদয়ত আগুৰি ৰখা তেওঁৰ ঠাই সদাই বিশেষ। অসমৰ ৰাইজে আজি তেওঁৰ আদৰ্শৰে বাট বুলিব লৈছে। তেঁও কোৱা কথা বোৰ আখৰে আখৰে পালন কৰি জীয়াই ৰাখিব বিচাৰিছে প্ৰাণৰ শিল্পী গৰাকীক। অসম চলি যাব এনেদৰে, মহাবাহুৰ বোৱাদি চিৰকাল প্ৰবাহমান হৈ ৰ'ব "জুবিন" ।

আৰু আমি গৌৰবেৰে ক'ব পাৰিম --------- 'আমি জুবিন দেশৰ মানুহ' !!!

আশাৰ ৰেঙনিৰে নৱ পথত
আগুৱাও
স্বপ্ন ৰথৰ যাত্ৰী ৰূপে লক্ষ্যক
বিচাৰি পাওঁ

# তৃতীয় ষান্মাসিক

# বিচিত্ৰ পদাৰ্থ বিজ্ঞান

অংকিতা ভক্ত
তৃতীয় ষাণ্মাসিক



সূৰ্যই জানো জানে তাৰ আয়ুস আৰু কিমান বাকী?
তৰাবোৰ জানো জ্ঞাত সিহঁতে বিলোৱা পোহৰ যে কিমান বছৰৰ অন্তত পৃথিৱীৰ বুকুত পৰিছেহি?
চন্দ্ৰ বাৰু অৱগত নে তাৰ পূৰ্ণিমা অমাৱস্যাৰ ৰহস্যৰ পৰা!
এই পৃথিৱী বৰ বিশাল, পিছে পৃথিৱীয়ে জানো বুজে এই বিশালতাৰ পৰিধি কিমান?
আপেলটো গছৰ পৰা সৰাৰ আগতে ভাবিছিলনে বাৰু,
এবাৰৰ বাবে হ'লেও মাধ্যাকৰ্ষণ শক্তিৰ কথা।
বৰষুণৰ ঘূৰণীয়া টোপালটোৱে জানেনে বাৰু surface tension ৰ ৰহস্য?
ক'তা! আকাশখনেওটো বৰ্ণনা নকৰে ৰামধেনুৰ আঁৰৰ ভাষ্য।
Pull মানে টনা push মানে ঠেলা
পিছে দৰ্জাখনে বাৰু বুজেনে torque ৰ ঝামেলা।
কিয় জানো পোহৰে গৰ্ব নকৰে তাৰ speed ক লৈ
"মোতকৈ আগত কোন গৈ পায় চাওঁ নহয়" বুলি কৈ,
কৰে জানো চুম্বকে গৰ্ব তাৰ প্ৰচুৰ আকৰ্ষণ শক্তিৰ কাৰণে?
লো নাথাকিলে যে তাৰ শক্তি বিকল সি হয়তো কথাটো নাজানে,
পিছে সিহঁতে নজনাবোৰ আমি জানো,
সিহঁতে নুবুজাবোৰ আমি বুজো,
সেইবাবেই চাগে আকৰ্ষিত হওঁ
পদাৰ্থ বিজ্ঞানৰ প্ৰতি,
তাৰ ৰহস্যৰ প্ৰতি।

# A sMoOth sEa neVer made A skiLLed salLor

Dikshita Bhattacharyya
3rd semester



This quote by Franklin D. Roosevelt means that personal growth, skill development and character are obtained by facing challenges and difficulties, not through calm and easy circumstances. Just as sailors become adept at navigating rough waters, we also grow and develop our capabilities by overcoming obstacles and uncertain situations in life. In other words, improvement and excellence aren't fostered by comfort, rather by facing adversities.

As students, you'll face numerous challenges and obstacles on your academic journey. It's easy to get discouraged when things don't go your way. But remember that these difficulties play an important role in your growth. In life many of us tend to avoid challenges and seek comfort. Though this may provide temporary satisfaction, it wouldn't lead to personal development and fulfillment.

Smooth seas hide treasures of hidden talents and strengths which come to surface on the face of adversity. And these new abilities help us navigate the future. Facing difficult exams, complicated projects etc do test your resolve. You have to learn how to adapt and find solutions to these problems. A bad grade does not define you. How you respond to it matters more. Do you give up or do you try again? Whether it's about learning a new language, concept, complex formulae or public speaking, push through the discomfort. It's okay to make a mistake. Don't give up, just move forward.

These challenges will help you develop skills like critical thinking, time management, prioritising tasks, focusing and to manage stress. Most importantly resilience and confidence.

So don't be disheartened by a few setbacks. Learn to embrace them. Keep in mind that these difficulties are actually opportunities to push beyond limits and broaden your horizons.

**Believe in yourself and you'll be unstoppable.**

# HEARTTHROB OF ASSAM : ZUBEEN GARG

BHARGAV BHARADWAJ
3rd semester



Zubeen Garg ( Jibon Borthakur ) born on November 18, 1972 at Tura, Meghalaya. He was an Indian singer, music director, composer, lyricist, music produce, actor, film director, film producer, script writer and philanthropist. His contributions were mostly attributes in Assamese, Bengali and Bollywood music and films . He was also an instrumentalist and plays 12 instruments including dhol, dotara, guitar, harmonica, harmonium, mandolin, keyboard, tabla and various percussion instruments. Zubeen Garg's nickname was Goldie, heartthrob of Assam, Zubeen Da.

Zubeen Garg's father, Mohini Borthakur, is a poet and lyricist who writes under the pseudonym Kapil Thakur , and his mother, Ily Borthakur was a dancer , actress and singer. His wife was Garima Saikia Garg . He had two sisters - Jonkey Borthakur and Palme Borthakur. His younger sister Jonkey Borthakur was an actress and singer who died in a car accident in 2002 near Tezpur while they were going to perform stage show along with co - artists. There after Garg made an album known as 'Xixu' in memory of his late sister Jonkey.

Born Jibon Borthakur into an Assamese Brahmin family, he adopted the stage name "Zubeen Garg". 'Zubeen' as a tribute to conductor Zubin Mehta and 'Garg ' from his family gotra symbolizing his blend of global admiration and cultural roots .

Zubeen Garg began singing at age three, trained by is Mother Ily Borthakur and studied tabla for 11 years under Pandit Robin Banerjee, laying the foundation to his mastery of Assamese folk , classical, Western and Bollywood styles. Zubeen da entered into the professional music when his debut album 'Anamika' was released in 1992 at the age of 19. He later released albums including Maya , Asha and Pakhi . He composed his first song "Gaane Ki Aane", at 13, which was featured in his debut album 'Anamika'. In 1995 Zubeen Da moved to Mumbai to work in the bollywood music industry where he recorded few Hindi albums and films like Chandni Raat , Yuhi Kabhi , Fiza and Kaante . He finally got the biggest break in Bollywood in the film ' Gangster '. The song 'Ya Ali' of Gangster movie was one of the most popular hit of 2006. The brought him the best playback singer "Global Indian Film Awards" ( GIFA ) in 2006 .



Zubeen Garg has sung/recorded more than 38,000 songs in 40 different languages across his 33 years career.

Zubeen Da's films 'Mission China' became the first Assamese film to cross gross collection of 6 Cr and 'Kanchanjangha' became first Assamese to cross gross collection 7 Cr.

Zubeen is known for his charitable work, including offering his Guwahati home as a COVID-19 care centre in 2021. Founder of the Kalaguru Artiste Foundation, he supporting education for underprivileged students, adopted 16 children (15 foster), cared for 34 dogs , monkey and birds .In 2022, a 20 foot tall statue of Zubeen was unveiled at "Nazirating Tamuli Tourism Festival" in Digboi and a bamboo bridge named after him was inaugurated in Tengapani in 2020.

Out of over 38,000 songs, he repeatedly called 'Mayabini' has absolute favourite. Zubeen explicitly requested that 'Mayabini' be sung across Assam upon his death, viewing it as the prefect tribute. Tragically, after his passing on September 19, 2025, at age 52 in Singapore, fans honored his wish en masse - singing it during his funeral procession, outside his Guwahati home and statewide, turning it into a collective anthem of grief. Zubeen Garg's funeral in Guwahati drew millions of mourners, earning a place in the Limca Book of records as the fourth largest public gathering in history.

# জয় জুবিন দা

# স্মৃতিৰ গান

হৃষিকেশ হালৈ
তৃতীয় ষান্মাসিক

নিজান আজিৰ সেই মন পাহাৰৰ,
বুকু ফিন্দাই থকা গৰ্বিত শাৰী শাৰী বৃক্ষত,
বাজি উঠা পুৰণি চিনাকি সুৰে,
ব্যাকুল কৰি তুলিছে মোৰ চেতন দেহক!
কি গানৰ এই সুৰ?
কি গীতৰ এই কলি?
কাৰ কলমৰ চিয়াঁহীত জীপাল হৈছিল এই গীত?
শুকাই যোৱা লুইতৰ আৰ্তনাদ?
নে প্ৰাচুৰ্যৰ কিৰণত ফুলি থকা শস্যৰ এই গীত?

মৃদু পৱনৰ বোকোচাতে উঠি সেই পুৰণি সুৰে
ভুমুকি মাৰিছে মোৰ গান পাগল প্ৰাণত।
বিশৃংখলতাক নস্যাৎ কৰা মৌসনা শব্দবোৰেও
শাৰী পাতি গুঠিছে পৰিপাট্য মালা ।
গীতৰ লয়ত ছফৰী বিন্যাসী সুৰে
তাৰ ঘৰলৈ নিবলৈ মোক কৰিছে হেঁপাহ ।

ৰঙীন সেই গীত,অতীতৰ গান
পৰিচিত ভাষাৰ এক আলোকী উদ্যান।
চহকী হ'বলে অহা পিয়াসী ভোমোৰাবোৰেও
ন প্ৰাণৰ মধু চুমি ৰচিছে নতুন গীতৰ কলি।
প্ৰতি ঋতুত ফুলা বিশেষ পলাশজুপিয়েও
বজাইছে চিৰ বসন্তৰ অমৰ বাদ্য।
সেমেকা ৰাতিৰ নিষ্ঠুৰ ছুৰিকাঘাততো
আযুধিৰ লেপ সানিছে এই মধুৰ গীতে।
এয়াযে নহয় কোনো আনৰ,
এয়াযে মোৰেই ৰচনা,স্মৃতিৰ উদ্গীৰণ।
এয়াযে মোৰই গীতৰ সংকলন।
অপ্ৰকাশিত!অবিশ্লেষিত!
ৰং অন্বেষী চলচ্চিত্ৰৰ
কালজয়ী গীতৰ সংকলন...

# অৰ্থ (হীন নে পূৰ্ণ): সেয়াও প্ৰশ্নবোধক



সাগৰ ৰাজবংশী
৩য় ষাণ্মাসিক

: পাবা জানো কিবা ?

নাজানো...
নিমগ্নতাৰ বলিয়ালিত বলিয়া হৈ গৈ আছো
আশাৰ ডৱাল চহকী কৰি
সপোনৰ কোঠা নদন-বদন কৰি

: কোনো নিৰ্দিষ্টতা ......

উহুঁ নাই
এটা কথা ঠিক ক'তনা, ক'তনা দেখিছো সপোন ৰঙেৰে ৰাঙলী হোৱা আশ্বাসৰ গৰাকী

: মানে?

নাই, অকলে মই নহয়; সহযাত্ৰী অলেখ
সকলো সপোন দেশৰ জাগত প্ৰহৰী শূণ্য ফলাফলেৰে,

: অৱশেষ

প্ৰশ্নৰ পূনৰাবৃত্তি
আৰুণো ক'তো দূৰ ?

## The hardest thing in the world is telling yourself that it's not hard at all:

Himashree Hazarika
3rd Semester



- IT IS NOT HARD TO WAKE UP EARLY.
- IT IS NOT HARD TO MAKE MONEY.
- IT IS NOT HARD TO APPROCH STRANGERS.
- IT IS NOT HARD TO EXPRESS LOVE.
- IT IS NOT HARD TO SEND COLD EMAILS.
- IT IS NOT HARD TO ASK FOR A RAISE.
- IT IS NOT HARD TO ASK QUESTIONS.
- IT IS NOT HARD TO VOICE YOUR OPINION.

WHAT'S HARD IS CONVICING YOUR MIND THAT IT IS NOT HARD.

THAT YOU CAN DO IT.

SOURCE: BOOK **"DO EPIC SHIT"**
WRITTER: **"ANKUR WARIKOO"**

# সাঁথৰ

পৰিস্মিতা ডেকা
তৃতীয় ষান্মাসিক



**ক) লিকি লিকি ডম্বৰু**
**চিকি চিকি পাত**
**পালেং বাবৰি ওঠৰ**
**হাত।**
**উত্তৰ:- বেতগছ**

**খ) ইফালেও ঢাপ**
**সিফালেও ঢাপ**
**মাজেদি যায় কাৰশলা**
**সাপ।**
**উত্তৰ: মাকো।**

**গ) শুকাই খিনাই যায়**
**পানী দি জীয়াই**
**জুই শিতানত লৈ নেগুৰেৰে খাই**
**উত্তৰ: ম্যাটি চাকি**

চিমান্তিকা নাথ
তৃতীয় ষান্মাসিক



**ক) টুপ টুপ টুপালি
পানী পালে মুকলি
উত্তৰ: আছৰা জাল**

**খ) ৰজাৰ লাঠি ঘন ঘন
গাঠী, আগ তিতা গুৰি মিঠা
কোৱাচোন কি?
উত্তৰ: কুঁহিয়াৰ**

**গ) গুটি আছে বাকলি নাই
মুখত দিলে পমি যায়
উত্তৰ: বৰফ**

**ঘ) বাঘ নহয় মানুহ খায়
চৰাই নহয় উৰি যায়
উত্তৰ: ম'হ**

**ঙ) কি চাপৰিত বন
নগজে
উত্তৰ: হাত চাপৰি**

নৱ পথৰ নৱ যাত্ৰী আমি
নৱ সপোনে গঢ়া
নৱ ক্ষণৰ নৱ দৃষ্টিৰে
নৱ নৱ সৃষ্টিৰ

পঞ্চম ষান্মাসিক

# শেষ শব্দ......

আচিফ ইকবাল
পঞ্চম ষান্মাসিক



শব্দবোৰ শেষ হৈ আহিছে,
গৰম নিশ্বাসৰ সৈতে চকুলো বাগৰি-বাগৰি গাল চুইছেহি ।
মোৰ এই শেষ হব খোজা শব্দই...
ভাৱনাৰ পদুলিত মৃত কেচা মঙহৰ গোন্ধ
মোৰ নাকত লাগিব লৈছে,
কাৰ নো সেই মৃতদেহটো...!!

ব্যৰ্থ প্ৰেমিকৰ হয়তো...!!!
ভয়ে ভয়ে কাষ চাপি আহিছো ....!!

কাষত গৈ দেখিলো...
সন্তানে জংঘলত পেলাই দিয়া মাকৰ মৃত দেহ,
অচিনাকি এজনে ইয়াত শতকাৰ কৰিব আনিছে..!!

বসন্তৰ পিছত বসন্ত ধৰি আজিও মই এই শ্মশানতেই আছো
ক'তো যে দুখৰ ধুমুহা বৈ গ'ল বুকুৰ দলিচাত,
তথাপি মাকৰ জ্বলা চিতা মই নোমাব নোৱাৰিলো...!!
মাকৰ বুকুৰ কেচা মৰমবোৰ মই জ্বলাই শেষ কৰিব নোৱাৰিলো ।

# আঁৰৰ কাহিনী

জ্যোতিষ্মান শৰ্মা
পঞ্চম ষান্মাসিক



হৃদয়ৰ কোনোবা খিনিত এতিয়াও জ্বলি আছে একুৰা জুই।
নিয়ৰৰ টোপাল হৈ আহিছিলা এদিন।
বোৱাই নিছিলা মোক।।



আকাশৰ তৰাবোৰো আমাৰ লগৰী আছিল,
ৰচিছিলো বহুতো সপোন।

জোনটিয়েও তোমাক চাবলৈ পোহৰ বিলাই দিছিল,
পাইছিলো নিস্বাৰ্থ মৰম।

এতিয়াচোন নিয়ৰৰ টোপালবোৰে কান্দে,
তৰাবোৰো লুকুৱাই,
পূৰ্ণিমাৰ জোনটি ওলাই থাকিলে ও অমাবস্যাৰ অন্ধকাৰ যেন লাগে।

নিয়ৰৰ টোপালবোৰ কিৰিঙতি যেন অনুভৱ হয়।
এতিয়া মই পথভ্ৰষ্ট যাত্ৰী।


# এটুকুৰা বগা কাগজ

পায়েল কাশ্যপ
পঞ্চম ষান্মাসিক



শুভ্ৰ এটুকুৰা বগা কাগজ ...
য'ত লিখা থাকে ___
"সত্যৰ সদায় জয় বুলি"
কিন্তু ক'ত
আজি সত্যবোৰ হেৰাই গ'ল
চৌদিশে আৱৰি ধৰিলে
মিছাৰ ধোৱাই ।
সেই একেখন বগা কাগজতে
লিখি লয় 'দুৰ্নীতি বন্ধ কৰক'
কিন্তু ৰাতিৰ ভিতৰতে
বগা কাগজখন কেনেকৈ
মলিন হৈ পৰে
নাজানো
হৈ পৰে কলংকিত,
ভৰি পৰে দুৰ্নীতিৰ এলান্ধুৰে
ঐ...বগা কাগজ...
তই নোহোৱা হৈ যা পৃথিৱীৰ পৰা
গুচি যা
তোৰ বুকুখনত আৰু কিমান
এলান্ধু মচিবি?
লাজ নালাগেনে তোৰ?
সমাজে তোক অপমানিত কৰি আছে
নোহোৱা হৈ যা
নহ'লে বগা গুচি ক'লা হৈ পৰিবি
গুচি যা.....

# শিল মই



প্ৰাণজিৎ দাস
পঞ্চম ষাণ্মাসিক

নৈৰ সোতত বৈ গৈছো মই....
অজস্ৰ বাসনাৰ দিশহাৰা স্বপ্ন,
মোৰ বুকুৰেদি বাগৰে....
নৈৰ বুকুত ঢেকিয়া গজা শিলটোৰ নাম মই ।।

স্বপ্নৰ উদ্যান চুই অহা,
মাছ এটাই মোৰ লগত নিতৌ
কথা পাতিবলৈ আহে....
মাছমৰীয়া আহিলে তাক লুকাই থওঁ
নিজানৰ এফাকি গানৰ দৰে ।।

ফৰিং ফুটা জোনাকত
মই বাৰে-বাৰে অদৃশ্য হওঁ.. ..!
পানী মোৰ কেনভাচ,
লেতেৰা পানীবোৰ ধুই..
নৈৰ বুকুত জোনটো সজাওঁ ।।

মানুহে কয় !
শিলে হেনো ভালপোৱা স্বীকাৰ নকৰে...
হয়টো, শিলবোৰ কঠিন,
তথাপিচোন, শিলৰ বুকুৰেদি বাগৰে
ভালপোৱাৰ কৈইবাখনো উপ-নৈ...!!!

# জেতুকাৰ সুবাস




স্নেহা দাস
পঞ্চম ষাণ্মাসিক



স্নিগ্ধ কোমল হাতৰ পৰশত প্ৰাণ পাই উঠা
স্মৃতিৰ জেতুকাৰ পাতৰ সুবাস,
ভাষা নাই মোৰ কথা কবলৈ
দিছো মাথো গুপুত আভাস।

হেঙুলীয়া বুলিয়া লিচিৰি আঙুলিৰ সুবাস আলসুৱা।

হঠাৎ পালো যেন সুঘ্ৰাণ জেতুকাৰ
অতীতত বিলীন হেঙুলীয়া বুলনি

বাস্তৱত নাই যে চুই চাবলৈ
মোৰ কল্পিত সেই হাত দুখনি!!

# ঐন্দ্ৰজাল : (জটিল জীৱনত এলান্ধুৰ সীয়নী)



তন্ময় ঠাকুৰীয়া
পঞ্চম ষান্মাসিক

ঐন্দ্ৰজাল ,ভ্ৰম এই জগতৰ ক্ৰম,
নয়নৰ ৰূপ ক্ষণিক, সেয়া মোৰ ভয়।
মায়াৰ সুঁতিত জীৱনৰ অৱসান,
সঁচা–মিছাৰ সন্ধান, ক্ষন্তেকীয়া জয়।
মায়াময় ৰূপ আঁতিৰ হ'লে পৰে,
অন্তৰত গভীৰ এলান্ধুৰে লাগে চিন।
চাকিৰ শিখাৰ দাগ, এয়ে মৰমৰ ঋণ,
হৃদয়ৰ সেই ৰেখা, অতীতৰ লেখা।
ভাঙি যোৱা সপোনৰ এয়েহে লগ্ন।
ঐন্দ্ৰজাল শেষ হ'লে এলান্ধুৱে ক'ব ,
মিছা পোহৰৰ দৰেই সকলো নশ্বৰ হ'ব।
কিন্তু এই দাগো সঁচা নহয়, মাথোঁ স্মৃতিৰ ক্ষয়।
জীৱনৰ অৰ্থ ছাঁ আৰু পোহৰৰ মোহিনী সুৰত বয়।
মই বিচাৰোঁ সেই গুপ্ত চাবিকাঠি,
যি এলান্ধুৰ আঁৰৰ ঐন্দ্ৰজাল আনে কাঢ়ি।
কিয়নো প্ৰতিটো মিছাতে সত্য লুকাই,
আৰু প্ৰতিটো দাগতে প্ৰেমৰ বৰ্ণ লোপ পায় ।

# *Life - What it's all about*

Firdousi Rahman
5th semester



Sometime you feel like pulling out your hair,
Trust b'coz you feel that life isn't fair!
Sometimes you feel you'd like to undo the past,
Though you can't coz life's just too fast!
Sometimes you wish you weren't born,
Sometimes you wish the earth would just swallow you up!
Sometimes.... sometimes.... sometimes....
But that isn’t life!

You got to learn to face the facts,
You got to get ready and forget your "put-on-acts".
You got to learn to accept your faults,
You must reach down in your heart and open the vaults...
You got to learn to be positive,
No one likes someone who's always negative....
Be humble and have a sweet mind,
Nobody likes the "show-off-kind."

Learn to trust others around,
For they will help you when you've fallen on the ground.....
Most important you must love everyone,
Hatred leads to bullets and guns...
Be unique, don't follow the crowd,
Say your opinions - clear and out loud.....
No two people are alike
Not even twins sharing the same face....
It's a mystery....on unsolved case....
God has a plan for you and me,
Believe in God - then only will you be free!

# সোঁৱৰণিৰ কুঁৱলী ফাঁকেৰে...

বন্দিতা দেৱী
পঞ্চম ষান্মাষিক



-“HELLO....”

- “সৃষ্টি, মই নিয়ৰ.... চিনি পাইছা নহয়। যোৱাকালি যে চিনাকী হৈছিলো; তোমাৰ ফোন নম্বৰটো মই মঞ্জিষ্ঠাৰ পৰা লৈছিলো...."
- “অহ্ নিয়ৰ.... কোৱা "
- “মানে সৃষ্টি তুমি আজি যদি কলেজলৈ গৈছিলা মোক নোটচ্ খিনি দিব পাৰিবা নেকি? মানে মোৰ লগৰবোৰ আজি কোনো যোৱা নাই, সেইবাবে৷ "
- “ঠিক আছে , দিম দিয়া |"
- **“Thank you."**

সৃষ্টি কাশ্যপ, এজাৰৰ দেশৰ ( নলবাৰী মহাবিদ্যালয়) পদাৰ্থ বিজ্ঞান বিভাগৰ দ্বিতীয় ষান্মাষিকৰ এগৰাকী মৰমলগা মেধাৱী ছোৱালী| এজাৰৰ দেশৰ অন্তহীন সুৰৰ মাজত নিজক বিলীন কৰাৰ ছমাহ কেনেদৰে পাৰ হৈ গ'ল তাই গমেই নাপালে| এই ছমাহত তাই বহুত নতুন মুখৰ লগত চিনাকি হ'ল| তাৰেই এখন নতুন মুখ নিয়ৰ হাজৰিকা | সিহঁতৰ বিভাগৰেই নিয়ৰ , ভাল বেডমিণ্টন খেলে সি | দেখা -দেখি হৈছিল যদিও সৃষ্টিৰ লগত তাৰ কথা-বতৰা হোৱা নাছিল | কলেজৰ বাৰ্ষিক অধিবেশনৰ শেষৰ দিনা সি তাইৰ লগত প্ৰথম কথা পাতিছিল |

দিনবোৰ এনেদৰেই গৈ আছিল| নোটচ্ অনা-নিয়া কৰাৰ মাজতে সীমাবদ্ধ আছিল সিহঁতৰ কথোপকথন৷ এনেদৰে সিহঁতৰ দ্বিতীয় ষান্মাষিকৰ চুড়ান্ত পৰীক্ষা আহি পাইছিল | পৰীক্ষাৰ তিনিদিন মান আগত নিয়ৰে সৃষ্টিক মেচেজ কৰিছিল –

- “Shristi”

অলপ সময়ৰ পিছত বিপ্লাই আহিছিল

- “Kua "

-“Mane Shristi, mor eta dangor problem hoise. "

-“ki hol?"

- "Mane mor physics r copy to hostel r room r table t thoi olop bahiroloi olai goisilu , tar pisot room t mor copy to bisari pua nai, kunubai loi gol sage bohut bisarilu, tumi jodi beya nopowa notes khini mok dibo pariba neki? "

–"Hobo diya eko nai... Moi photo mari dim notes khini... Mor copy r pora."

–" Thank you so much Shristi "

এনেদৰে সৃষ্টিয়ে দিয়া pdf ৰ পৰা পঢ়ি নিয়ৰে পৰীক্ষা দিলে। পৰীক্ষা শেষ হোৱাৰ দিনা সৃষ্টিক কোনোবাই মতা শুনি তাই উভতি চাই নিয়ৰক দেখিলে। তাই নিয়ৰক সুধিলে--

–" কেনেকুৱা হ'ল পৰীক্ষাঃ"

–" তোমাৰ কৃপাত ভালেই হৈছে।"

(সামান্য হাঁহি নিয়ৰে ক'লে)

–"বহীটো কোনে লৈ গ'লঃ গম পালানে কিবাঃ "

–"নাজানো অ'। গমেই নাপালো।"

– " কি কোৱা হে.. বহীও এনেকুৱাকৈ চুৰ হয়।"

– "কি ক'বা আৰু, থাকে কিছুমান এনেকুৱা মানুহ৷ বিপদত পেলাবলৈ ভাল পায়৷ "

হঠাৎ নিয়ৰে তাইক সুধিলে,

–" চকলেট খাবা "

–" বেয়া পাওঁ মই চকলেট "

–"মোৰ প্ৰিয় চকলেট এইটো, খাই চোৱাচোন এবাৰ,, এবাৰ খালে আকৌ বিছাৰিবা চাবা।"

–"দিয়া তেনেহ'লে "

–"লোৱা "

চকলেটটো মুখত দি তাই ক'লে --

–"সঁচাকৈ সোৱাদ লাগিছে অ',,, ক'ৰ পৰা আনিলা ?"

–" কিয় ক'ম ?? তেতিয়া তুমি নিজে আনি খাবাঃঃ "

এনেদৰে কৈ কৈ সি গ'লগৈ। সেইদিনাই প্ৰথম তাৰ লগত সৃষ্টিয়ে ইমান সময় কথা পাতিছিল। ভাল লাগিছিল তাৰ কথাবোৰ শুনি। লাহে লাহে সিহঁতৰ কথোপকথন বাঢ়িবলৈ ধৰিলে। নোটচ্ লোৱাৰ পৰা আৰম্ভ হোৱা এই সম্পৰ্ক এদিন অতি ঘনিষ্ঠ বন্ধুত্বৰ সম্পৰ্কলৈ ৰূপান্তৰ হ'ল। এতিয়া সিহঁত ভাল বন্ধু, এজন নহ'লে আনজনে চলি বই

ক্লাচ শেষ হোৱাৰ পিছত এদিন নিয়ৰে তাইক ক'লে ,
- "ব'ল পাগলী,, আজি তোক ঘৰত থৈ আহিম।"
- "কোনো প্ৰয়োজন নাই, মই অকলে যাব পাৰিম।"
- "নোৱাৰিবি বুলি নো মই কেতিয়া ক'লোঁ?"
- "তেনেহ'লে? "
---"কথা আছে তোৰ লগত সেইবাবে পাগলী। "
---"ব'ল তেনেহ'লে পাগল। "

দুয়োটাই হাঁহি উঠিল । এই যে সময়বোৰ কিমান যে বিশেষ। যদি ধৰি ৰাখিব পৰা গ'লহেতেন সময়বোৰ, কোনেও চাগে হেৰাই যাব লগা নহ'ল হয় মনৰ পৰা সিহঁতে নিজেও নাজানে কেনেকৈ ইমান গাঢ় হৈ পৰিল এই বন্ধুত্ব।

গৈ থাকোঁতে নিয়ৰ ক'লে--
- " আজি এইফালেৰে যাওঁ ব'ল ।"
-"ব'ল। "

দুজোপা কৃষ্ণচূড়া । চাৰিওফালে সেউজীয়াৰ মাজত এটি চিনাকী পথ। কিমান দিন যে পাৰ কৰিছে তাই এই সেউজীয়াবোৰৰ মাজত। ক'ত অনুভৱৰ যে নিৰৱ সাক্ষী এই পথটো আৰু কৃষ্ণচূড়া দুজোপা।
- "এই ঠাইখিনি মই বৰ ভাল পাওঁ সৃষ্টি। "
- " মইও, যেতিয়া মনটো ভাল নালাগে মই প্ৰায়েই ইয়ালৈ আহোঁ, ভাল লাগে ইয়াৰ নিৰৱতাখিনি।"
- "সময়বোৰ খুব সোনকালেই পাৰ হৈ গ'ল না!সিদিনা আহিছিলোহে! যাবৰ হ'লেই চোন ।"
-" সঁচাকৈ নিয়ৰ, এই দিন কেইটাই নিজক চিনি পাবলৈ শিকাইছিল, নিজক ভাল পাবলৈ শিকাইছিল, ইয়াৰ পৰা ওলাই যোৱাৰ কথা কিবা ভাবিবই নোৱাৰি চোন। "
- " মোৰ এটা এটা দিনৰ কথা মনত আছে জান্ । সেই যে অনন্ত ছাৰৰ প্ৰথম ক্লাছটো মনত আছেনে তোৰ? ধ্ৰুৱ ছাৰৰ oscillation ত আৰম্ভ হৈ moment of inertia ত শেষ হোৱা ক্লাছবোৰ,সুৰজিৎ ছাৰৰ SEC, practicalবোৰৰ লগত তিনি চাৰিঘন্টা যুজি যুজি গ্ৰাফবোৰ যে মিলিবই নুখুজে , ৰাজবংশী ছাৰৰ vector analysis, তাৰ পাছৰ Sem ত পাইছিলো নিপন ছাৰ আৰু হেমেন ছাৰৰ ক্লাছ। কম্পিউটাৰ ক্লাছবোৰ, NAAC ৰ visit, Fresher's, rally , কিমান যে উৎপাত কৰিছিলো, যোৱাবাৰ পিকনিক টো যে কিমান কষ্ট কৰি উলিয়াইছিলো, কেতিয়া যে ডিপাৰ্টমেন্টটো ইমান আপোন হৈ পৰিল গমেই নাপালোচোন। কেইদিনমান পিছত সেই দিনবোৰ হেৰাই যাব ভাবিলেই কিবা লাগি যায়। ধেই, সময়বোৰ ধৰি ৰাখিবৰ মন গৈছে। "

" নোৱাৰ ধৰি ৰাখিব। সেইবাবেই কয় 'life is a journey' , গৈ থাকিব লাগিব যিমান দুৰলৈ পাৰ। যদি আজিৰ দিনত তই বৈ যাব....জানইতোঃ "

"জানো বাবেইতো ভয় লাগিছে যদ্ধ হৈ যাম বুলি।"

বাৰু বাদ দে এইবোৰ। কি কৰিম বুলি ভাবিছ ইয়াৰ পিছতঃ

সৃষ্টি এটা কথা কওঁ আমাৰ বন্ধুত্বৰ এই সম্পৰ্কটো সদায় এনেদৰে ৰাখিব পাৰিবিনেঃ আঁতৰি যোৱাৰ পিছত সলনি হৈ নাযাব তো তইঃ "

- "এই তিনিটা বছৰে তই জানো মোক বুজি পোৱা নাইঃ "

- "তথাপিও ভয় লাগে সৃষ্টি। বহুত মানুহক মই চকুৰ আগত সলনি হোৱা দেখিছো । এটা সময়ত মই নহ'লে যিয়ে এখোজো দিব নোৱাৰিছিল তেওঁলোকৰ প্ৰায়েই এতিয়া দেখিলেও মাতিব নোখোজে।আতৰি যোৱা কাকো ধৰি ৰাখিবলৈ মই চেষ্টাও কৰা নাই। মাত্ৰ তোকেই এনেদৰে কৈছো। তই বুজিছ নহয়ঃ "

- "উমম্ ,,আচলতে কি জান্ নিয়ৰ কিবা এটা বিশেষ সম্পৰ্ক এৰি অহাৰ পিছত সেই সম্পৰ্কটোৰ কাৰণে নিজৰ মনত গঢ়ি উঠা স্থান কেতিয়াও কাকো দিব নোৱাৰি। নিশ্চয়কৈ তাৰ ঠাইত আন এটা বিকল্প বাচি লোৱা হয় কিন্তু হৃদয়ত সেই স্থান সদায় অপূৰ্ণ হৈ ৰৈ যায়, যদিহে সম্পৰ্কবোৰ সঁচা হৃদয়েৰে হয় ।"

-" বিকল্পৰ সন্ধানত যদি মোকেই পাহৰি যাব, তেতিয়া। "

- " এইটো কেতিয়াও হ'ব নোৱাৰে নিয়ৰ। অন্ততঃ মোৰ বাবে সম্পৰ্ক এটাৰ গুৰুত্ব কিমান , তই ভালদৰে জান। "

- "জানো বাবেইতো কৈছো... সময়ৰ সোঁতত তই অন্ততঃ সলনি নহ'বি। "

- " কি হৈছে অ' তোৰ আজিঃ কেনেকুৱা কথা তই আগতেতো কেতিয়াও কোৱা নাই। "

- " একো হোৱা নাই। তোক কথাকেইটা এনেই ক'বলৈ মন গ'ল । বাৰু তই চোন ঘৰ পালিয়েই। মইও যাওঁ দে। "

-"কাইলৈ আহিবি নহয় ।"

-" উমম্ আহিম। "

নিয়ৰ গুচি গ'ল হোষ্টেললৈ ।

ভাল লগা সময়বোৰ সদায় সোনকালেই পাৰ হৈ যায়। এটা দিন আহিল, কলেজত সিহঁতৰ শেষৰটো দিন । বুকুবোৰ গধুৰ হৈ আছিল সকলোৰে। ক্লাছবোৰ কৰিব পৰা নাছিল কোনেও ভালদৰে। আৰু কেইটামান ঘন্টা পাৰ হোৱাৰ পিছতই যে সকলো পৃথক হৈ যাব লাগিব। -" অই নিয়ৰ আজি ক্লাচ কিয় কৰা নাইঃ"

সৃষ্টিয়ে ক্লাছ কৰি আহি তাক ডিপাৰ্টমেন্টৰ সন্মুখত লগ পায় সুধিলে।

- "নোৱাৰিলো । মন নগ'ল। "

-" আমি সময়কতো মানি ল'বই লাগিব না। "

এনেতে সকলো আহি বিভাগৰ সন্মুখত লগ হ'ল৷ সকলোৰে মুখবোৰ আউসীৰ দৰে অন্ধকাৰ৷ এনেতে কোনোবা এজনে চিঞৰিলে পদাৰ্থ বিজ্ঞান বিভাগৰ সেই বিশেষ সংলাপটো " আল্ফা, বিটা, গামা, নিউটন আমাৰ মামা৷ " সকলোৱে একেলগে চিঞৰিলে । আকৌ এবাৰ যেন জীপাল হৈ উঠিল পদাৰ্থ বিজ্ঞান বিভাগত কটোৱা সিহঁতৰ প্ৰতিটো স্মৃতি৷

যোৱাৰ সময়ত নিয়ৰে সৃষ্টিক ক'লে --

-" খবৰ লবলৈ পাহৰি নাযাবাতোঃ "

-" নাযাও.. promise,,, এনেওতো তোৰ এইবাৰ বহী চুৰ হ'লে নোটচ্ মইয়ে দিব লাগিব৷ "

বিষাদৰ মাজতো যেন অলপ হাঁহিৰ চিটিকনি সিহঁতৰ মুখত৷ সময়বোৰ গৈ আছে পাখিলগা কাড়ৰ দৰে৷ সৃষ্টিয়ে স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্ত্তি কৰিলে৷ নিয়ৰ এটা NGO ৰ লগত জড়িত হৈ পৰিল৷ লগতে সি বি. এড ত নামভৰ্ত্তি কৰিলে । সিহঁতৰ বন্ধুত্ব এনেদৰেই চলি আছিল । নতুন নতুন অভিজ্ঞতাসমূহ সদায় নিয়ৰে সৃষ্টিক কৈছিল । সৃষ্টিয়েও নিয়ৰক দিনটোত ঘটা সকলো কথা কৈছিল৷ কিন্তু এদিন.....

এদিন নিয়ৰে তাইক ফোন কৰিছিল৷ ক্লাচত থকা বাবে তাই ফোনটো উঠাব পৰা নাছিল । পিছত যে চাই দহটা মিছ্কল৷ তাই অলপ আচৰিত হ'ল৷ তাই ভাবিলে 'আনদিনা এইটো সময়ত নিয়ৰেতো কেতিয়াও ফোন নকৰে৷ কৰিলেও এবাৰ বা দুবাৰ৷ দহবাৰ মিছ্কল , একেটা সময়তে আচৰিত৷'

তাই ওলোটাই ফোন কৰিলে । ফোনটো নালাগে । দিনটোত তাই প্ৰায় এশবাৰমান ফোন কৰিলে তাই নিয়ৰক ।কিন্তু কোনো উত্তৰ নাপালে ।পিছদিনাও ফোন কৰিলে, মেছেজ দিলে, নাই কোনো ফালৰ পৰাই একো উত্তৰ নাই৷ নিয়ৰৰ লগৰবোৰৰ পৰা তাৰ খবৰ লবলৈ চেষ্টা কৰিলে, কিন্তু বেছিভাগেই তাৰ ঘৰ চিনি নাপায় । বৰ্তমানৰ নিয়ৰৰ বন্ধুবোৰক তাই চিনি নাপায়৷ সৃষ্টিয়ে একো উপায়েই বিচাৰি নাপালে৷

প্ৰতিটো দিনতেই তাই ফোন কৰে তালৈ৷ ত্ৰিশবাৰ, চল্লিশবাৰ । সময়ৰ লগে লগে কমি আহিল সেই সংখ্যা৷ পাঁচবাৰ, দহবাৰ...কৰিয়েই আহিছে যোৱা ৩ বছৰে৷

এদিন নিয়ৰৰ ফোনটো কোনোবাই ৰিচিভ কৰিলে । সৃষ্টিৰ চকুদুটা উজ্বল হৈ উঠিল৷ সিফালৰ পৰা এক নাৰীকণ্ঠ ভাহি আহিল,

-" কোনে কৈছেঃ"

-" নিয়ৰ... নিয়ৰ আছে নেকিঃ মই ইমান বছৰে তাক পাগলৰ দৰে বিচাৰি আছিলো৷ আপুনি প্লিজ নিয়ৰক এবাৰ ফোনটো দিয়ক,,,, প্লিজ৷

কথাখিনি তাই একে উশাহতে কৈছিল। কিন্তু ফোনটো কিবা কোৱাৰ আগতেই কাট খাই গ'ল। তাই বহুবাৰ চেষ্টা কৰিলে কিন্তু ফোনটো পুনৰ কোনেও নুঠালে।

এনেদৰে পাৰ হৈ গ'ল আৰু দুটা বছৰ। নিয়ৰৰ স্মৃতিয়ে সৃষ্টিৰ পঢ়া-শুনাকে ধৰি সকলো ক্ষেত্ৰতে বেয়া প্ৰভাৱ পেলালে। ঘৰৰ মানুহেও তাইক বহুত বুজালে। কিন্তু পাহৰো বুলিলেই জানো পাহৰিব পৰা যায় কাৰোবাক। সিটো একো নোকোৱাকৈয়ে গুচি গ'ল। কিন্তু ক'লৈ গ'ল?

মাজে মাজে তাইৰ ভাব হয় নিয়ৰ বাৰু আঁতৰি গ'ল নেকি তাইৰ পৰা?

সকলো অহাৰ দৰে সিও আহিছিল নেকি তাইৰ জীৱনলৈ কিবা স্বাৰ্থ থকাৰ বাবে। কিন্তু সেই ফোনকলটো। কি কব বিচাৰিছিল বাৰু সি সেইদিনা?

প্ৰায় ৫ বছৰৰ পিছত সৃষ্টিয়ে সেই ঠাইখিনিলৈ গৈছিল। নিয়ৰ আৰু তাইৰ প্ৰিয় ঠাই সেইখিনি। কিজানি তাত নিয়ৰৰ কিবা স্মৃতি বিচাৰি পাইয়েই।

-" অকলে আহিছ ইয়ালৈ ছোৱালী। "

হঠাৎ কাৰোবাৰ মাতত উচপ খাই উঠিল সৃষ্টি। এনেকৈতো তাইক নিয়ৰৰ বাহিৰে কোনেও নামাতে। তেনেহ'লে নিয়ৰ.... একো নাভাবি তাই চিঞৰি দিলে

- " নিয়ৰ..... "

কিন্তু কোনো উত্তৰ নাপালে। তাই চাৰিওফালে চালে কিন্তু কাকো নেদেখিলে। মনৰ ভ্ৰম বুলি ভাবি তাই পুনৰ খোজ দিলে।

পাচ মিনিটমান যোৱাৰ পিছত আকৌ তাই শুনিলে,

- " অই প্যাগলী। "

-"কোন? "

সুধিবহে পালে নিয়ৰ আহি সন্মুখত উপস্থিত। সৃষ্টিয়ে কি কৰিব কি নকৰিব একো উৱাদিহেই নাপালে। তাই অভিমান কৰি ক'লে ---

- " নামাতিবি যা,,, ইমান দিন ক'ত মৰিছিলি? "

- " মাতিবই নালাগে যদি কিয় ইমান দিনে ফোন কৰি আছিলি?? "

- " তই তেনেহ'লে সকলো গম পাৱ? কিয় প্যাগল কৰি মাৰিছ মোক? জাননে তোৰ চিন্তাত মোৰ পঢ়া-শুনা সকলো গৈছে। ইমান প্যাগল কিয় মানে তই? "

- " মইতো প্যাগলেই। তই মোৰ চিন্তা কিয় কৰিব লাগে? "

-"হয়নে? "

সৃষ্টিয়ে নিয়ৰক মাৰিবলৈ পিচে পিচে খেদি গ'ল। পুনৰ যেন জীপাল হৈ উঠিল সিহঁতৰ সময়বোৰ। পুনৰ যেন ৰঙীন হৈ উঠিল সৃষ্টিৰ শেতাপৰা

সৃষ্টিয়ে মানুহগৰাকীৰ কাষলৈ গ'ল। নিয়ৰৰ কথা সুধিব লওঁতেই তাই দেখিলে তেওঁৰ হাতত এখন ফটো। তেওঁ ফটো খনত হাত বুলাই আছে। নিয়ৰৰ ফটো। তাই চিঞৰি দিলে

" নিয়ৰ... "

মানুহগৰাকী উচপ খাই উঠিল।

সৃষ্টিয়ে ফোপাই ফোপাই সুধিলে

" ক'ত, ক'ত আছে ই? মই তাক পাগলৰ দৰে বিছাৰিছো . ই ক'ত আছে? "

মানুহগৰাকীয়ে ৰঙা হৈ থকা চকুযোৰেৰে তাইলৈ চাই সুধিলে

" চিনি পোৱা তাক? "

" আৰে চিনি পাওঁ বাবেইতো পাগল কৰি মাৰিছে। আপুনি প্লিজ জানে যদি কৈ দিয়ক সি ক'ত আছে, নাজানে যদি মই আৰু বিচাৰি যাওঁ। আহিছিলই সি, আপোনাৰ কাষত নোহোৱা হৈ যোৱা বাবেহে আহিলো ইয়ালৈ। যাওঁ, আৰু বিচাৰি যাওঁ। "

- " ক'ত বিছাৰিবা তাক? দহবছৰ আগতে এইখিনি ঠাইতেই এটা দুৰ্ঘটনাত তাৰ মৃত্যু হৈছিল। আজি তাৰ বছৰেকীয়া শ্ৰাদ্ধ।"

সৃষ্টিৰ মুৰত সৰগ ভাগি পৰিছে। চকুৰে ধুৱলী কুৱলী দেখিছে তাই। মানুহ এনেকৈও হেৰাই যাব পাৰেনে? তাই সমস্ত শক্তিৰে চিঞৰি উঠিছিল --

- " নিয়ৰ........ "



# শিক্ষিত নিবনুৱা: এক জ্বলন্ত সমস্যা



পৰিস্মিতা পাঠক
পঞ্চম ষান্নাসিক

**গ**ৰমৰ বন্ধৰ কোনোবা এটা দিনত মই আৰু ককাই চোতালত বহি কথা পাতি আছিলো সিদিনা। বহু কথাৰ শেষত ককাই মোক শুধিছিল - মইনা, ক' চোন তই ডাঙৰ হ'লে কি হ'বি ? ১০ বছৰীয়া মই ভালকৈ পঢ়ি ডাঙৰ চাকৰি কৰিম বুলি কৈছিলো।

ককাই হাঁহিছিল। "কিয় হাঁহিছা ককা" - মই শুধিছিলো। উত্তৰত তেওঁ কৈছিল যে এতিয়াহে মানুহক চাকৰি লাগে, আমাৰ সময়ত বেতন লৈ কাম কৰাতকৈ খেতি কৰি খাম বুলি কৈছিল মানুহে।

সেই কথাষাৰ মোৰ আজিও মনত পৰে যেতিয়া মোৰ সন্মুখত নিবনুৱাৰ প্ৰসংগ ওলায়। চাওঁকচোন সময় কিমান বেগী,আজি বা আকৌ চাকৰি এটা পাবৰ বাবে পৰীক্ষা দি দি মানুহৰ আধা বয়স উকলি যায়। জনসংখ্যাৰ বৃদ্ধি আৰু কৰ্ম সংস্থাপনৰ অভাৱে আজিৰ ডেকাচামক তীব্ৰ গতিত কোঙা কৰি আহিছে। যি চাকৰি আগতে কোনোবা ডাঙৰ পদৰ অধিকাৰীৰ অনুগ্ৰহত এনে পোৱা গৈছিল সেই চাকৰিৰ বাবে আজিকালি ADRE ৰ দৰে পৰীক্ষা ওলাইছে। পৰীক্ষাত বহিছে স্নাতক, স্নাতকোত্তৰ ডিগ্ৰীধাৰী সকল। উত্তীৰ্ণ পৰীক্ষাৰ্থীৰ সংখ্যা ইমানেই বেছি হৈ যায় যে বাছনি কৰাৰ বাবে মৌখিক পৰীক্ষা পাতে। মৌখিক পৰীক্ষাত পৰিক্ষকে প্ৰশ্ন কৰে - তুমি পঢ়াত যথেষ্ট ভাল,ইমান ডিগ্ৰী লৈ তুমি জানো কৰিবা এই চাকৰি? ফুলৰ বাগিছাৰ মালী হ'বলৈহে তুমি স্নাতকোত্তৰৰ দৰে ডিগ্ৰী লৈছা নেকি বুলি ইতিকিং কৰে; কিন্তু তেওঁলোকে কৰিব কি?

সমগ্ৰ ভাৰতবৰ্ষত বৰ্তমান ২০ নিযুতৰো অধিক নিবনুৱা আছে। তাৰ ভিতৰত প্ৰায় ২৪.৪ লাখ নিবনুৱা অসমৰ। সমস্যাৰ কথাটো হ'ল ইয়াত অশিক্ষিত নিবনুৱা শিক্ষিত নিবনুৱাৰ তুলনাত নিচেই কম। বৰ্তমান অসমত ২২খন বিশ্ববিদ্যালয় আছে, তাৰ অন্তৰ্গত ২০০ৰো অধিক মহাবিদ্যালয় আছে। য'ৰ পৰা বছৰে হেজাৰ হেজাৰ শিক্ষাৰ্থী ওলাই গৈ আছে কিন্তু সেই লাখ বা হেজাৰৰ ভিতৰত কিমানজনে চাকৰি পাইছে?

উচ্চ শিক্ষা শেষ কৰি প্ৰায় সকলোৱেই আজিৰ দিনত আটাইতকৈ বেছি প্ৰচলিত ADRE বা TET দিছে । দিনে দিনে প্ৰতিযোগীৰ সংখ্যা বাঢ়িছে যদিও সমান্তৰাল ভাৱে পদৰ সংখ্যা বৃদ্ধি হোৱা দেখা পোৱা নাযায়।

আচলতে ইয়াত দোষ কাৰ? সমাজৰ ! কাৰণ অ আ ক খ লিখিব জনা হোৱাৰ পৰাই সকলোকে মূৰত সুমুৱাই দিয়া হয় যে ভালকৈ পঢ়ি শুনি চাকৰি কৰিব লাগিব। নিজেই ভাৱকচোন কেতিয়াবা জানো শুনিছে তই ডাঙৰ হৈ খেলুৱৈ বা গায়ক বা অভিনেতা হ'ব লাগিব? শুনিছে জানো কেতিয়াবা কাৰোবাৰ মাক দেউতাকে দম্ভালি মৰা যে মোৰ ল'ৰা পঢ়াত মধ্যম যদিও খেলত ভাল। ইয়াক মই খেলৰ দিশত আগবঢ়াই নিম। নাই নুশুনে,কাৰণ তেওঁলোককো এটা সময়ত হয়তো কোৱা হৈছিল পঢ়া শুনা কৰি চাকৰি এটা ল'ব নোৱাৰিলে জীৱন নৰক হৈ পৰিব বা সমাজত আগস্থান নাপাব বুলি। চৰকাৰী চাকৰিৰ পিছত, চিকিৎসক বা ইঞ্জিনিয়াৰ হোৱাৰ দৌৰত মানুহ ইমানেই ব্যস্ত যে বাকীবোৰ দিশৰ কথা মানুহৰ মনতেই নাহে। সকলোৱে একে স্বৰেই এটা কথাই আওৰাইছে যে আমি পঢ়িম।

আমি চাকৰি লম।।

যাৰফলত বৃদ্ধি হৈছে ডিগ্ৰীধাৰী নিৱনুৱাৰ, বৃদ্ধি হৈছে Depression, Anxiety ৰ দৰে বেমাৰ।


সেয়েহে সকলোকে শিকাওঁক আৰু নিজেও শিকক যে যেতিয়ালৈ পঢ়া শুনাৰ মুখ্য উদ্দেশ্য এটা চৰকাৰী চাকৰিত সীমাবদ্ধ থাকিব তেতিয়ালৈ সমাজত শিক্ষিত নিবনুৱাৰ সংখ্যা বাঢ়িয়েই থাকিব। সেয়েহে পঢ়াৰ বাহিৰে আন দিশ সমূহত জড়িত হ'বলৈ নিজৰ লগতে আনকো উৎসাহী কৰক। খেল বা সাংস্কৃতিক ক্ষেত্ৰত আগ্ৰহী সকলৰ জীৱনত হেঙাৰ হোৱাৰ পৰিবৰ্তে তেওঁলোকক সহায় কৰক ,সাহস দিয়ক আগুৱাই যাবলৈ।

# The Multiverse: A Cosmic Mirror of Endless Realities

Dimpi Kalita
5th semester



On a quiet night, you look up at the stars. The sky feels infinite, stretching far beyond imagination. But what if everything you see – the stars, the galaxies, even time itself – is only a tiny piece of a much larger puzzle? What if our universe is just one page in a never-ending cosmic book?



Physicists suggest that our universe may not stand alone. Instead, there could be countless other universes, each with its own rules. In one universe, gravity might be stronger. In another, stars might never Form. And in some, life could exist in ways beyond our imagination.

The idea is not only science fiction – it comes straight from modern physics. After the Big Bang, space expanded in a flash called cosmic inflation. Some regions may have bubbled off, each forming its own universe. Meanwhile, in quantum mechanics, the "many-worlds interpretation" suggests that every tiny choice splits reality: every decision, every possibility, creates a new universe. Imagine— another you somewhere is reading this article right now, but with a completely different life.




We cannot yet see these parallel worlds. But scientists hunt for clues, like strange fingerprints in the cosmic afterglow of the Big Bang. For now, the multiverse remains a thrilling mystery, a bridge between science and imagination.

So next time you gaze at the night sky, remember: you may not just be living in a universe... but in one of infinite possibilities. And out there, in the vast unknown, another version of you might be asking the same question: Am I the only one?

# From Class 12 to BSc Physics-Realizing the Importance of Mathematics

JYOTISHMAN TAMULY
5TH SEMESTER



Moving from Class 12 to BSc Physics has been a learning experience that changed the way I look at the subject. In school, I mostly solved physics problems by using formulas and following the steps shown in the textbook. But once I entered BSc, I understood something important: physics depends heavily on mathematics.

I am not a topper or an expert. I am just an average student who is trying to understand things slowly. And through this journey, one thing became very clear— without a good hold on basic mathematics, especially calculus, many concepts in physics start to feel confusing. Whether it was motion, oscillations and waves, or thermodynamics every chapter used mathematics as its foundation.

Slowly, as I started revising small mathematical ideas — derivatives, integrals, vectors — I realized that physics began to make more sense. I am still learning, still improving, and still making mistakes. But the difference is that now I know where to focus my effort.

Another thing that helped me a lot is the guidance we receive from our teachers. Our physics teachers are extremely supportive, and they explain every topic with patience. I realised that if we sincerely follow their classes, take notes properly, and pay full attention during practical sessions, many doubts get cleared automatically. Practical classes especially make the concepts come alive, and they help us connect theory with real situations.

From my journey so far, I have learned a simple but valuable lesson:
to understand physics better, we should first build a strong base in mathematics and make full use of the support given by our teachers.

# আলোকচিত্র



# সম্পাদনা সমিতি



ড° ধ্রুৱজ্যোতি গগৈ
তত্ত্বাৱধায়ক, ই-পত্রিকা ২০২৫




বন্দিতা দেৱী আৰু সাগৰ ৰাজবংশী
সম্পাদকদ্বয়



ভাৰ্গৱ ভৰদ্বাজ
ব্যৱস্থাপনা






বেটুপাত

সৰ্বশ্ৰী তন্ময় দাস, ডিম্পী কলিতা, স্নেহা দাস আৰু জ্যোতিষ দাস








সদস্য/ সদস্যাঃ ক্ৰমে বাওঁফালৰ পৰা সৰ্বশ্ৰী পৰিস্মিতা পাঠক, তন্ময় ঠাকুৰীয়া, গাৰ্গী বৰ্মন, ৰিচা চক্ৰৱৰ্তী, স্বপন তালুকদাৰ আৰু লিকিনা ভৰদ্বাজ

# TEACHING STAFF

## DEPARTMENT OF PHYSICS

### NALBARI COLLEGE,NALBARI



Ananta Rajbongshi
Assistant Professor
HoD, Department Of Physics



Dr. Hangshadhar Rajbongshi
Associate Professor



Dr. Nipan Mazumdar
Associate Professor



Surajit Sarma
Assistant Professor



Dr. Hamen Kakati
Assistant Professor



Dr. Dhrubajyoti Gogoi
Assistant Professor

## NON-TEACHING STAFF
## DEPARTMENT OF PHYSICS



Diganta Das



Kishore kr. Dutta



Kamal Kalita

# PHOTOGRAPHS

## PHYSICS BATCHES
## 2020-2023 TO 2023-2025



2020-2023



2021-2024



2022-2025

# আলোকচিত্ৰ







# নৱাগত আদৰণি সভা - ২০২৪











# আলোকচিত্ৰ










## প্ৰাক ক্ষণ

## নৱাগত আদৰণি সভা-২০২৫

# নৱাগত আদৰণি সভা - ২০২৫









# নৱাগত আদৰণী সভা - ২০২৫









২০২৫ ইংৰাজী বৰ্ষৰ জুবলী বঁটা প্ৰাপক
ৰাহুল শৰ্মা দেৱ







ফিজিক্স ফ'ৰামৰ উদ্যোগত শিক্ষক দিৱস উদযাপন




গুৰু মণ্ডলীৰ বৃক্ষৰোপণ








# আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন




আকস্মিক বক্ততা প্ৰতিযোগিতা




প্ৰাচীৰ পত্ৰিকা-২০২৫ উন্মোচন






## প্ৰাচীৰ পত্ৰিকা - ২০২৫ ৰ ক্ষুদ্ৰাংশ




# সাংস্কৃতিক শোভাযাত্রা ২০২৫


## কিছু দৃশ্য






নলবাৰী মহাবিদ্যালয় বাৰ্ষিক অধিৱেশন-২০২৫ ৰ অৰ্জিত বঁটাৰে সতে শিক্ষাৰ্থী






## মাহেকীয়া আলোচনা চক্ৰ




## পদাৰ্থ বিজ্ঞান ব্যৱহাৰিক পৰীক্ষাগাৰ – ০১



# ব্যৱহাৰিক পৰীক্ষাগাৰ – ০২

# কম্পিউটাৰ পৰীক্ষাগাৰ






# ডাৰ্ক পৰীক্ষাগাৰ

# বৈদ্যুতিক পৰীক্ষাগাৰ



# বিভাগীয় শিক্ষাৰ্থীৰ দ্বাৰা অংকিত চিত্ৰ


## তন্ময় দাস








## ৰাহুল পৰাশৰ





# PHOTOGRAPHY








DIMPI KALITA
5TH SEMESTER

KALYAN DUTTA
1ST SEMESTER






২০২৫ ইংৰাজী বৰ্ষত নলবাৰী মহাবিদ্যালয় বাৰ্ষিক সপ্তাহত **পদাৰ্থ বিজ্ঞান** বিভাগৰ শিক্ষাৰ্থীৰ দ্বাৰা লাভ কৰা বঁটা সমূহ:

**বিভাগীয়ঃ সাংস্কৃতিক শোভাযাত্ৰা: তৃতীয় স্থান

**প্ৰাচীৰ পত্ৰিকা: নিচুকণী বঁটা লাভ

১। লোকসংগীত: প্ৰথম স্থান (ধনিষ্ঠা ডেকা)

২। ৰোমাণ্টিক যুটী: প্ৰথম স্থান (ধনিষ্ঠা ডেকা)

৩। দলীয় লোকনৃত্য: প্ৰথম স্থান (ধনিষ্ঠা ডেকা)

৪। সৃষ্টিমূলক দলীয় নৃত্য: প্ৰথম স্থান (ধনিষ্ঠা ডেকা)

৫। ব্যংগ নাট: প্ৰথম স্থান (ধনিষ্ঠা ডেকা)

৬। প্ৰথম শ্ৰেষ্ঠ নাট্যদল: (জয়শ্ৰী কলিতা) (অভিনেত্ৰী)

৭। কুইজ: প্ৰথম স্থান (মানস প্ৰতিম ভত্ত)

৮। শ্ৰেষ্ঠ মুকাভিনয় দল: ৰিচা চক্ৰৱৰ্তী, ডিম্পী কলিতা (অভিনেত্ৰী)

৯। শ্ৰেষ্ঠ ব্যংগ নাট্যদল: গাৰ্গী বৰ্মন (অভিনেত্ৰী)

১০। সাজপাৰ: দ্বিতীয় স্থান (ধনিষ্ঠা ডেকা)

১১। একাংকিকা নাট: দ্বিতীয় স্থান (ধনিষ্ঠা (ডকা) (অভিনেত্ৰী)

১২। কুইজ: দ্বিতীয় স্থান (অলকেশ হালৈ, প্ৰবাল শৰ্মা)

১৩। দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল: গাৰ্গী বৰ্মন (অভিনেত্ৰী)

১৪। একক শাস্ত্ৰীয় নৃত্য: তৃতীয় স্থান (ধনিষ্ঠা ডেকা)

১৫। পৰম্পৰা জনজাতীয় সংগীত: তৃতীয় স্থান (ধনিষ্ঠা ডেকা)

১৬। আধুনিক নৃত্য: তৃতীয় স্থান (ধনিষ্ঠা ডেকা)

১৭। দ্বৈত কবিতা আবৃত্তি: তৃতীয় স্থান (ধনিষ্ঠা (ডকা)

১৮। বৰগীত: তৃতীয় স্থান (ধনিষ্ঠা ডেকা)

১৯। নীলা খামৰ চিঠি: তৃতীয় স্থান (ডিম্পী কলিতা)

২০। কুইজ: তৃতীয় স্থান (শুভ্ৰ জ্যোতি কলিতা, চন্দ্ৰপল বৰুৱা)

২১। ভলীবল: দ্বিতীয় স্থান (পদাৰ্থ বিজ্ঞান বিভাগ)

২২। তাল বাদ্য: শ্ৰেষ্ঠ (ধনিষ্ঠা ডেকা)

২৩। ভেশচন: বিচাৰকৰ বিশেষ বঁটা (ধনিষ্ঠা (ডকা)

২৫। জয়ন্ত সংগীত: দ্বিতীয় স্থান (গীতাৰ্থ তালুকদাৰ)

২৬। চলচ্চিত্ৰ সমালোচনা আৰু অনুবাদ সাহিত্য: দ্বিতীয় স্থান (জিন্তু হালৈ)


২৭। স্বৰ বাদ্য: দ্বিতীয় স্থান (বেদান্ত বিকাশ বৈশ্য)

২৮। গল্প লিখন: তৃতীয় স্থান (বেদান্ত বিকাশ কৈশ্য)

২৯। তৰ্ক প্ৰতিযোগিতা: বিচাৰকৰ বিশেষ বটা (বেদান্ত বিকাশ বৈশ্য)

৩০। দ্বৈত বেডমিন্টন: ৰানাৰ্চ আপ (অৰূপ কলিতা)

৩১। প্ৰবন্ধ লিখনি: প্ৰথম স্থান (গাৰ্গী বৰ্মন)




চিত্ৰ অংকণ: ৰাহুল পৰাশৰ

জুবিন গাৰ্গ,
কেৱল এটি নাম নহয়, এটি সত্ত্বাৰ নাম জুবিন
হৃদয়স্পৰ্শী এটি কণ্ঠৰ নাম জুবিন , এটি আবেগ জুবিন
বিধ্বস্ত জীৱনৰ আশাৰ ৰেঙনি বৰষোৱা এটি নাম জুবিন
সঁচা অৰ্থৰ এগৰাকী শিল্পী জুবিন
অসম-অসমীয়াৰ মনৰ যুগনায়ক জুবিন
প্ৰতি গৰাকী অসমীয়াৰ আমঠু জুবিন, এক অনন্য কৃষ্টি জুবিন
মহানায়ক গৰাকীৰ মহাপ্ৰয়াণত পদাৰ্থ বিজ্ঞান বিভাগৰ ফালৰ পৰা যাচিছো একাজলী অশ্ৰু অঞ্জলি



# নাগাৰা সূৰ্য ৰামচৰণ ভৰালী

কাহানিও উভতি নহা পথত নাগাৰা সূৰ্য
নাগাৰা নামৰ পবিত্ৰ মজিয়া যেন আজি উকা
নাগাৰা সূৰ্য ৰামচৰণ ভৰালী দেৱৰ বিদেহ আত্মাৰ চিৰ শান্তিৰ
কামনাৰ্থে ইশ্বৰৰ ওচৰত প্ৰণিপাত জনাইছোঁ



জন্ম: ২৩ আগষ্ট, ১৯৬৮
মৃত্যু: ৩ নৱেম্বৰ, ২০২৫

হেৰ' বাঁহী তোক বৰ ভালপাওঁ দেহী
মোৰ বাঁহী তোক বৰ ভালপাওঁ দেহী
তোৰ সুৰৰ আচল ধৰি বহু দূৰ যাওঁ গুচি.....

সুৰৰ আচল ধৰি বহু দুৰলৈ গুচি যোৱা বাঁহীৰ ৰজা জনক
অশ্ৰুসিক্ত নয়নেৰে সুঁৱৰিছো



# ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

অসমৰ এগৰাকী প্ৰখ্যাত সাহিত্যিক, শিক্ষাবিদ, গল্পকাৰ, কবি, প্ৰৱন্ধকাৰ, নাট্যকাৰ, সমালোচক ড° বসন্ত কুমাৰ ভট্টাচাৰ্য দেৱ । নলবাৰীত জন্মগ্ৰহণ কৰা ভট্টাচাৰ্যক ২০১৬ চনত অসম সাহিত্য সভাই “সাহিত্যচাৰ্য” উপাধি প্ৰদান কৰে।

মহান মনিষীৰ বিয়োগত পদাৰ্থ বিজ্ঞান বিভাগৰ তৰফৰ পৰা অশ্ৰু-অঞ্জলি জ্ঞাপন কৰিছো



# ধৰ্মেন্দ্ৰ সিং দেওল

বলিউড জগতৰ মহীয়সী ধৰ্মেন্দ্ৰ সিং দেওলে বলিউড জগতৰ বিস্তৰ ক্ষতি সাধন কৰি বিদায় মাগিলে আমাৰ মাজৰ পৰা।

অভিনেতা জনৰ স্বৰ্গোস্থিত আত্মাৰ চিৰ শান্তিৰ কামনা কৰিলো



চিত্ৰাংকন: জ্যোতিষ দাস

# বাৰ্লিপ বেটুপাতৰ আভাস

## পদাৰ্থ বিজ্ঞান বিভাগ; প্ৰাক স্বাধীন কালতে স্থাপিত অসমৰ প্ৰথম খন মহাবিদ্যালয় নলবাৰী কলেজৰ অবিচ্ছেদ্য অংগ পদাৰ্থ বিজ্ঞান বিভাগ।

১৯৫৮ ইংৰাজী চনত স্থাপিত উক্ত বিভাগটো বিজ্ঞানৰ উপৰিও সাহিত্য-সংস্কৃতি, ৰং-ৰহইচত বিশেষ আগৰণুৱা। বৰ্ণিল, SPECTRUM শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰ লগতে বাৰ্ষিক অধিৱেশনত লভিত নানান পুৰস্কাৰ ইয়াৰ উজ্জ্বল উদাহৰণ। নিজৰ স্বপ্নৰ দুনীয়াক সুচাৰু ৰূপ দিয়া নলবাৰী মহাবিদ্যালয়ৰ এক অনবদ্য নিদৰ্শন পদাৰ্থ বিজ্ঞান বিভাগ। নানান সোণোৱালী স্মৃতি, হাহি-তামাচাৰে নিজৰ ভৱিষ্যতৰ পথচোৱাৰ এক উৎকৃষ্ট মাধ্যম নলবাৰী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগ। এইখিনিতে শিক্ষাগুৰু সমন্বিতে সমূহ বিষয়ববীয়াৰ প্ৰতি জনৰ হকে কৰা অহোপুৰুষাৰ্থ চেষ্টাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

"জয়তু পদাৰ্থ বিজ্ঞান বিভাগ"
"জয়তু নলবাৰী কলেজ, নলবাৰী"